# 2023

## ASSAMESE

( Regular Generic )

Paper : ASM–RG–6016

**( Chanda Aru Alankar )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) মাত্ৰা কাক বোলে?

(খ) ছন্দৰ সৌষ্ঠৱ কিহৰ ওপৰত নিৰ্ভৰ কৰে?

(গ) সংস্কৃতত এটা সম্পূৰ্ণ ভাব প্ৰকাশ কৰিবলৈ কেইটা চৰণ ব্যৱহাৰ কৰা হয়?

(ঘ) ছবি ছন্দৰ তৃতীয় চৰণত কিমানটা আখৰ থাকে?

(ঙ) কুসুমমালা ছন্দ ব্যৱহাৰ কৰি শংকৰদেৱে ৰচনা কৰা বিখ্যাত পুথিখনৰ নাম কি?

(চ) 'অলংকাৰ-সৰ্বস্ব' নামৰ গ্ৰন্থখনৰ ৰচক কোন?

(ছ) "হৃদয়াহ্লাদক যিমান প্ৰকাৰ অৰ্থ হ'ব পাৰে অলংকাৰৰ সংখ্যাও সিমান।" মতটিৰ বক্তা কোন?

(জ) পুৰণি অসমীয়া সাহিত্যত কোনবিধ শব্দালংকাৰৰ ব্যৱহাৰ বেছিকৈ দেখা যায়?

(ঝ) কোনবিধ শব্দালংকাৰত স্বৰ আৰু ব্যঞ্জন লগলাগি এটা থূল হ'ব লাগিব?

(ঞ) "তেওঁৰ মুখখন যেনিবা পদুম।" ইয়াত কি অৰ্থালংকাৰ ব্যৱহাৰ কৰা হৈছে?

২। চমু উত্তৰ লিখা : ২×৫=১০

(ক) লয় বুলিলে কি বুজা? ছন্দত লয় কিহে নিয়ন্ত্ৰণ কৰে?

(খ) অক্ষৰ কাক বোলে? বৰ্ণ আৰু অক্ষৰ একেনে?

(গ) ৰূপক অলংকাৰৰ দুটা ভাগৰ নাম লিখা।

(ঘ) শ্লেষ অলংকাৰৰ সংজ্ঞা লিখা।

(ঙ) "মোৰ এই হিয়াখনি জেতুকা পাতৰ দৰে
সেউজীয়া বননিৰ বৰণেৰে ঢকা।"

ইয়াত থকা 'উপমেয়' আৰু 'উপমান' নিৰূপণ কৰা।

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) দুলড়ী

(খ) কুসুমমালা

(গ) অন্ত্যমিল

(ঘ) বক্ৰোক্তি

(ঙ) ব্যাজস্তুতি অলংকাৰ

(চ) উপমেয় আৰু উপমান

৪। (ক) অসমীয়া ধৰ্মপুথি, বিহুনাম, বিয়ানাম আৰু আইনামত ছন্দৰ ব্যৱহাৰ সম্বন্ধে এটি আলোচনা আগবঢ়োৱা। ১০

অথবা

(খ) "ছন্দৰ মূল কথা সংযম।" কথাষাৰৰ যুক্তিযুক্ততা বিচাৰ কৰি এটি আলোচনা যুগুত কৰা।

৫। (ক) ঝুনা, ঝুমুৰী আৰু কুসুমমালা ছন্দৰ বিষয়ে উদাহৰণসহ বুজাই লিখা। ১০

অথবা

(খ) অসমীয়া কবিতাত মুক্তক ছন্দৰ ব্যৱহাৰ সম্পৰ্কে এটি নাতিদীৰ্ঘ নিবন্ধ লিখা।

৬। (ক) অলংকাৰ বুলিলে কি বুজা? কাব্যত অলংকাৰৰ প্ৰয়োজনীয়তা আছে নে নাই সেই বিষয়ে এটি নিবন্ধ যুগুত কৰা। ২+৮=১০

অথবা

(খ) অলংকাৰৰ প্ৰকাৰভেদ কৰি শব্দালংকাৰ আৰু অৰ্থালংকাৰৰ বিষয়ে একোটিকৈ আলোচনা আগবঢ়োৱা। ২+৪+৪=১০

৭। (ক) অনুপ্ৰাস অলংকাৰৰ বিষয়ে উদাহৰণসহ এটি আলোচনা আগবঢ়োৱা। ১০

অথবা

(খ) উপমা অলংকাৰৰ আটাইবোৰ ভাগ-বিভাগ দেখুৱাই এটি আলোচনা যুগুত কৰা।

★★★